## 2016

# ASSAMESE

( Major )

Paper : 6.5

( ছন্দ আৰু অলংকাৰ )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ধ্বনি বুলিলে কি বুজা ?

(খ) পৰ্ব কাক কয় ?

(গ) লয় বুলিলে কি বুজা ?

(ঘ) উপমানৰ অৰ্থ কি ?

(ঙ) 'সৌন্দৰ্যমলঙ্কাৰঃ' এইটো কাৰ উক্তি ?

(চ) 'কাব্যাদৰ্শ' গ্ৰন্থৰ ৰচয়িতা কোন ?

(ছ) "সতীৰ সতীত্ব ৰাখি প্ৰতিদান দিলে
চাই ছাই কৰা কামে পুনু প্ৰাণ পালে।"

ইয়াত কি অলংকাৰ হৈছে ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) যতি বুলিলে কি বুজা ? যতি কেই প্ৰকাৰৰ ?

(খ) স্তৱক কি ? এটা উদাহৰণ দিয়া।

(গ) লুপ্তোপমা বুলিলে কি বুজা ? উদাহৰণসহ লিখা।

(ঘ) ৰাজানক ৰুয্যক কোন ?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

পয়াৰ ; কুসুমমালা ; ছবি ; ভ্ৰান্তিমান ; উৎপ্ৰেক্ষা।

৪। (ক) 'কাব্যত ছন্দৰ প্ৰয়োজনীয়তা' সম্পৰ্কে বহলাই আলোচনা কৰা। ১০

*অথবা*

(খ) মাত্ৰাবৃত্ত আৰু স্বৰবৃত্ত ছন্দৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ছন্দৰ এই দুটি ধাৰাৰ বিষয়ে লিখা। ১০

৫। (ক) "অৱশেষত অন্যবোৰ ছন্দসজ্জাতো যৌগিক পয়াৰৰ দৰেই নিৰ্দিষ্ট ৰূপকল্পৰ পৰা ধ্বনি-প্ৰবাহৰ মুক্তি ঘটিল।" এইবিধ ছন্দসজ্জাৰ নাম কি ? বৈশিষ্ট্যসমূহ আলোচনা কৰি অসমীয়া কবিতাত ছন্দবিধৰ প্ৰয়োগ দেখুওৱা। ১০

*অথবা*

(খ) ভামহ, দণ্ডী, বামন আৰু আনন্দবৰ্দ্ধন—এই চাৰিজনে অলংকাৰক কেনেধৰণে ব্যাখ্যা কৰিছে, লিখা। ১০

৬। (ক) অলংকাৰ আৰু কবি প্ৰসিদ্ধিৰ মাজৰ সম্পৰ্ক ফঁহিয়াই দেখুওৱা। ১০

*অথবা*

(খ) অনুপ্ৰাস অলংকাৰ কাক বোলে? অনুপ্ৰাসক কেইটা ভাগত ভাগ কৰিব পাৰি? প্ৰত্যেক ভাগৰ বিষয়ে উদাহৰণসহ লিখা। ১০

★★★